# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-11-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - -

ৰাজ্যৰ পাঁচটা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে মাজত ৬টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাই আজি চিদলী বিধানসভা সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। নিজৰ ভাষণত ড০ শৰ্মাই বিটিআৰত সুদীৰ্ঘ দিনৰ হিংসাত্মক পৰিস্থিতিৰ পাছত শান্তি প্ৰতিষ্ঠা হৈছে বুলি উল্লেখ কৰি অনুষ্ঠানটোত শান্তি আৰু উন্নয়নৰ ধাৰা অব্যাহত ৰখাৰ বাবে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক জয়ী কৰাবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে বঙাইগাঁৱত নিৰ্বাচনী প্ৰচাৰ সভাতো অংশগ্ৰহণ কৰে। আজি চিদলী বিধানসভাৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ কেইবাগৰাকীও জ্যেষ্ঠ বিজেপি নেতাৰ লগতে ইউ পি পি এল দলেও নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। ইপিনে মন্ত্ৰী পীযূষ হাজৰিকাই আজি বিহালী সমষ্টিত বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ বিহালী পঞ্চায়তত প্ৰচাৰ চলায়।

ইপিনে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি বঙাইগাঁৱত কংগ্ৰেছ দলৰ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহৰ হৈ প্ৰচাৰ অভিযানত অংশ লয়। অনুষ্ঠানত দিয়া ভাষণত শ্ৰী বৰাই উন্নয়নৰ আৰু সুশাসনৰ স্বাৰ্থত দলৰ প্ৰাৰ্থীগৰাকীক জয়ী কৰাবলৈ আহ্বান জনায়। ইপিনে কংগ্ৰেছৰ সাংসদ ৰকিবুল হুছেইনে আজি চামগুৰি সমষ্টিৰ প্ৰাৰ্থী তানজিল হুছেইনৰ হৈ সমষ্টিটোৰ বিভিন্ন অঞ্চলত প্ৰচাৰ সভাত অংশ লয়। সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ সমৰ্থনত আজি মন্ত্ৰী বিমল বৰাই এখন সংবাদমেলত ভাগ লোৱাৰ লগতে প্ৰচাৰ চলায়।

০০০০০

কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে অসম আৰু মেঘালয়ৰ মাজত চলি থকা দীৰ্ঘদিনীয়া সীমা বিবাদৰ সমাধান সূত্ৰ বিচাৰি আজি গুৱাহাটীত এখন উচ্চস্তৰীয় বৈঠকত অংশ লয়। বৈঠকত দুয়োখন ৰাজ্যৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে গৃহ সচিবগৰাকীয়ে কালি অসম চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। কইনাধৰাত অনুষ্ঠিত বৈঠকখনত শ্ৰী মোহনে মুখ্য সচিব ৰবি কোটা আৰু অন্য শীৰ্ষ বিষয়াসকলৰ উপস্থিতিত আলফা, আদিবাসী, কাৰ্বি আৰু ডিমা নেচনেল লিবাৰেছন আৰ্মীৰ সৈতে জড়িত চুক্তিৰ পৰ্যালোচনা চলায়। গৃহ সচিবগৰাকীয়ে লগতে আত্মসমৰ্পণ কৰা বিভিন্ন গোটৰ উগ্ৰপন্থীসকলৰ পুনৰসংস্থাপনৰ সৈতে জড়িত বিভিন্ন বিষয়ৰো পৰ্যালোচনা কৰে। আলফাৰ শান্তি চুক্তিক লৈ সংগঠনটোৰ সভাপতি অৰবিন্দ ৰাজখোৱা আৰু সম্পাদক অনুপ চেতিয়াই গৃহ সচিবৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে সংবাদ মাধ্যমেৰে হোৱা কথা-বতৰাত অনুপ চেতিয়াই কয় যে শান্তি চুক্তিৰ বিষয়সমূহ কাৰ্যকৰী

কৰাৰ সন্দৰ্ভতেই আলোচনা কৰা হৈছিল। দিনজোৰা এই বৈঠকৰ পাছত কেন্দ্ৰীয় গৃহ সচিব গৰাকীয়ে আত্মসমৰ্পণকাৰী উগ্ৰপন্থী সংগঠনৰ সদস্যসকলৰ পুনৰ সংস্থাপনৰ বিষয়টোও চৰকাৰৰ সৈতে আলোচনা কৰে।

০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যোৱানিশা নুনমাটিৰ পৰা ৰিজাৰ্ভবেংক সংযোগী নিৰ্মীয়মান উৰণ সেতুখনৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে। লোকনিৰ্মাণ বিভাগৰ কেইবাগৰাকীও শীৰ্ষ বিষয়াৰ সৈতে গুৱাহাটী ক্লাবত উপস্থিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে উৰণসেতুখন সমাপ্ত পৰিবলগীয়া অংশটোৰ বুজ লয়। সাংবাদিকেৰে হোৱা কথা-বতৰাত তেওঁ কয় যে উৰণ সেতুখন পূৰ্বৰ তুলনাত এতিয়া কিছু সৰু কৰাৰ সিদ্ধান্ত লোৱা হৈছে। পূৰ্বতে লোৱা সিদ্ধান্ত অনুসৰি নুনমাটি দিশৰ পৰা আহিলে উৰণসেতুখন ৰিজাৰ্ভ বেংকত শেষ হ'লহেঁতেন, কিন্তু এতিয়া ৰবীন্দ্ৰ ভৱনৰ সন্মুখত উৰণসেতুখন শেষ কৰা হ'ব। আনহাতে, উৰণ সেতু নিৰ্মাণৰ বাবে গুৱাহাটী ক্লাবত থকা ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিমূৰ্তিটো স্থানান্তৰ কৰা নহয় বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমক জানিবলৈ দিয়ে। ইফালে দীঘলীপুখুৰীৰ পাৰৰ পুৰণি গছসমূহ উৰণ সেতু নিৰ্মাণৰ বাবে কাটি পেলোৱাৰ যি বাতৰি ওলাইছিল সেয়াও তেওঁ অস্বীকাৰ কৰে। তেওঁ কয় যে লোকনিৰ্মাণ বিভাগে গছসমূহ কটাৰ পৰিৱৰ্তে অত্যাধুনিক প্ৰযুক্তিৰে পুৰণি উপাযুক্ত বাংলোৰ চৌহদলৈ স্থানান্তৰৰ পৰিকল্পনাহে কৰিছিল।

০০০০০

ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া বুলি ভুৱা পৰিচয় দিয়া এজন লোকক আজি আৰক্ষীয়ে কৰিমগঞ্জত আটক কৰে। জাবিৰ হুছেইন নামৰ লোকজনে অপৰাধ শাখাৰ শীৰ্ষ বিষয়া হিচাপে হুছেইনে চিনাকি দি সামাজিক মাধ্যমত বহু লোকৰ সৈতে সম্পৰ্ক ৰক্ষা কৰিছিল। তদুপৰি তেওঁ এজন শিক্ষকক ভীতি প্ৰদৰ্শন কৰি তেওঁৰ পৰা ১০ লাখ টকা দাবী কৰিছিল। সম্পূৰ্ণ ধন দিয়াৰ বিপৰীতে শিক্ষকজনে থানাত গোচৰ ৰুজু কৰে আৰু পাছত প্ৰৱঞ্চকটোক আৰক্ষীয়ে আটক কৰে।

০০০০০

মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক নিৰীক্ষক মঙলদৈৰ শান্তিপুৰ নিৱাসী দিলিপ তালুকদাৰৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা অৱস্থাত দেহাৱসান ঘটে। চাৰি দিন ধৰি অসুস্থ হৈ থকা তালুকদাৰৰ মৃত্যুৰ সময়ত বয়স আছিল ৬৪ বছৰ।

০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ অধীনত ১৯ বছৰ অনূৰ্ধ কোচবিহাৰ ট্ৰফীৰ এখন খেল আজিৰে পৰা বৰপেটাত অনুষ্ঠিত হৈছে। বৰপেটা জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অসম আৰু বিহাৰৰ মাজত অনুষ্ঠিত খেলখনৰ প্ৰথম দিনা আজি বিহাৰে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৭০ ৰান সংগ্ৰহ কৰে। অসম দলৰ হৈ হৰ্ষ কুমাৰে বিহাৰৰ ৫টা উইকেট দখল কৰে। আজি এই খেলখনৰ উদ্বোধনী অনুষ্ঠানত জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষক উপস্থিত থাকে।

০০০০০

সমাপ্ত